# 2024

## ASSAMESE

( Skill Enhancement Course )

Paper : ASM–SE–3014

**( Byabaharik Asomiya )**

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৪=৪

(ক) "অমলে চন্দ্ৰৰ ওপৰত গৱেষণা কৰিছে।" বাক্যটো শুদ্ধকৈ লিখা।

(খ) ভাৰতীয় বিজ্ঞাপন উদ্যোগৰ মানদণ্ড কোনে নিয়ন্ত্ৰণ কৰে ?

(গ) বৈদ্যুতিন মাধ্যমৰ এটি উদাহৰণ দিয়া।

(ঘ) 'হালধীয়া চৰায়ে বাওধান খায়' নামৰ চলচ্চিত্ৰখনৰ পৰিচালক কোন ?

২। চমু উত্তৰ লিখা : ২×৩=৬

(ক) উদ্দেশ্য অনুসৰি বিজ্ঞাপনক কি কি ভাগত বিভক্ত কৰিব পাৰোঁ?

(খ) ভাষাগত দৃষ্টিকোণৰ পৰা কৰা অনুবাদৰ প্ৰকাৰ দুটি কি কি?

(গ) চলচ্চিত্ৰৰ প্ৰসংগত চিত্ৰনাট্য শব্দটোৱে কি বুজায়?

৩। চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

(ক) অসমীয়া ভাষাত বিৰাম চিহ্নৰ ব্যৱহাৰ

(খ) বিজ্ঞাপনৰ কুফল

(গ) অনুবাদ আৰু সাক্ষাৎকাৰ

(ঘ) চিত্ৰনাট্যৰ গঠন

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) গ্ৰন্থ সম্পাদনা কাৰ্যত সম্পাদক আৰু আৰ্হি নিৰীক্ষকৰ ভূমিকা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) আৰ্হি পাঠ নিৰীক্ষণৰ কৌশল সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(গ) বিজ্ঞাপন আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) অনুবাদৰ সাৰ্থকতা কোনবোৰ বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে, আলোচনা কৰা।

(ঙ) সাহিত্যৰ আধাৰত নিৰ্মিত অসমীয়া চলচ্চিত্ৰৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা।

(চ) তলৰ কাহিনীটোৰ আধাৰত এখন চিত্ৰনাট্য প্ৰস্তুত কৰা :

কমল আৰু বিমল দুই ভায়েক। এডোখৰ মাটিৰ বাবে দুয়োৰে মাজত কাজিয়া লাগে। গাঁওবুঢ়া আহি দুয়োকে বুজাই-বঢ়াই সমানে মাটি ডোখৰ ভাগ-বাটোৱাৰা কৰি দিয়াত দুয়ো পূৰ্বৰ দৰে মিলিজুলি থাকিবলৈ লয়।

★ ★ ★